**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 17-01-2026

**Time :** 1715 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১। দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে’লগাড়ী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভাৰ্চুৱেল ব্যৱস্থাৰে মালদহৰ পৰা উদ্বোধন। ৰে’লখনে অসম আৰু পশ্চিমবংগৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি সন্ধিয়া ৬ বজাত সৰুসজাইত প্ৰায় ১০ হাজাৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন।

৩। ১৬ ফেব্ৰুৱাৰীৰ পৰা অসম বিধানসভাৰ বাজেট অধিবেশন।

***আৰু***

৪। ৰাজ্যজুৰি বৰ্ণাঢ্য কাৰ্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ মালদহ টাউন ৰে’ল ষ্টেচনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে কামাখ্যা আৰু হাওৰাৰ মাজত চলাচল কৰিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে’লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰে। আধুনিক ভাৰতৰ বৰ্ধিত পৰিবহন চাহিদা অনুযায়ী নিৰ্মাণ কৰা সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে’লগাড়ীখনে বহনসাধ্য দৰত যাত্ৰীসকলক বিমান যাত্ৰাৰ দৰে সুবিধা আৰু অভিজ্ঞতা প্ৰদান কৰিব। এই ৰে’লগাড়ীখনে দূৰণিবটীয়া যাত্ৰা অধিক ক্ষিপ্ৰ, নিৰাপদ আৰু সুবিধাজনক কৰি তুলিব বুলি আশা কৰা হৈছে।

ইপিনে, এই উপলক্ষে মালিগাঁওৰ কামাখ্যা ষ্টেছনত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে এই ৰে’লসেৱাই গুৱাহাটী আৰু কলকাতাৰ মাজৰ যাতায়াত ব্যৱস্থা সূচল কৰাৰ লগতে যাত্ৰীৰ সময় ৰাহি কৰিব। এই অত্যাধুনিক ৰে’লখনে ঐতিহাসিক আৰু সাংস্কৃতিকভাৱে বান্ধ খাই থকা দুয়োখন ৰাজ্যৰ মাজৰ সম্পৰ্ক সূদৃঢ় কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

বাইট ঃ মুখ্যমন্ত্ৰী

মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত গুৱাহাটীৰ পৰা হাওৰালৈ ৰে’ল সেৱা মুকলিৰ বাবে প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক কৃতজ্ঞতা জ্ঞাপন কৰে। অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াইও ৰঙিয়া ষ্টেছনৰ পৰা পতাকা জোকাৰি ৰেলযাত্ৰাৰ শুভাৰম্ভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ  মোদীৰ উপস্থিতিত আজি সন্ধিয়া ৬ বজাত সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত প্ৰায় ১০ হাজাৰ শিল্পীয়ে বড়োসকলৰ বাগৰুম্বা নৃত্য প্ৰদৰ্শন কৰিব। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অংশস্বৰূপ বড়োসকলৰ বাগৰুম্বা নৃত্যৰ বিশ্বজুৰি প্ৰসাৰৰ অৰ্থে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীগৰাকী পশ্চিমবংগ ভ্ৰমণ সামৰি  দুদিনীয়া অসম ভ্ৰমণসূচীৰে খন্তেক পাছতে গুৱাহাটীত উপস্থিত হ'ব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব আৰু দুখন ৰে'লগাড়ী যাত্ৰাৰ শুভাৰম্ভ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে কাইলৈ কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ সুনিশ্চিত কৰিব আৰু মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস কৰাত সহায় কৰিব। এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পথ সুৰক্ষা বৃদ্ধি পাব, যাত্ৰাৰ সময় ৰাহি হ'ব আৰু দুৰ্ঘটনাৰ হাৰ হ্ৰাস পাব।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব।

০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন ১৬ ফেব্ৰুৱাৰীৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব। বিধানসভা সচিবালয়ে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে এইবেলি পূৰ্ণাঙ্গ বাজেটৰ পৰিৱৰ্তে লেখানুদান দাখিল কৰা হ'ব।

০০০০০

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুক লৈ চলি থকা গোচৰত অহা ৩০ জানুৱাৰীত ৭ গৰাকী অভিযুক্তৰ বিৰুদ্ধে আইনৰ কি কি ধাৰাত বিচাৰ চলোৱা হ'ব সেয়া নিশ্চিত কৰা হ'ব। এই গোচৰৰ আজি চতুৰ্থটো শুনানি লোৱা হয়। এই শুনানিত ৭ গৰাকী অভিযুক্তক ভাৰ্চুৱেলী হাজিৰ কৰোৱা হয়। আদালতে ২২ জানুৱাৰীত অভিযুক্তৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰিব। চৰকাৰী অধিবক্তাই আজি আদালতত অতিৰিক্ত সময় বিচাৰি অনুৰোধ জনায়।

০০০০০

ৰাজ্য চৰকাৰ আৰু কাৰ্বি সমাজৰ প্ৰতিনিধিৰ মাজত আজি হ'বলগীয়া আলোচনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জানিবলৈ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আলোচনাৰ দিন শীঘ্ৰে নিৰ্ধাৰণ কৰা হ'ব। পাৰস্পৰিক সন্মান আৰু বুজাবুজিৰ মাজেৰে সকলো বিষয় সমাধান কৰিবলৈ চৰকাৰ দায়বদ্ধ বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত কৃত্ৰিম বান সমস্যা সমাধানৰ বাবে জলাশয়সমূহত চলি থকা পৰিষ্কাৰৰ কাম কেবিনেট মন্ত্ৰী পিযুষ হাজৰিকাই আজি পৰিদৰ্শন কৰে। পানীৰ বহনক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে মুঠ ১২ টা জলাশয়ত চলি থকা পৰিষ্কাৰৰ কাম অগ্ৰগতিৰ বুজ লৈ কয় যে পূৰ্বৰ তুলনাত জলাশয়সমূহৰ পানী ধৰি ৰখাৰ ক্ষমতা বৃদ্ধি পাইছে। পূৰ্বতকৈ জলাশয়সমূহৰ সৌন্দৰ্য বৰ্ধন হোৱা বুলিও তেওঁ প্ৰকাশ কৰে।

00000

আজি শিল্পী দিৱস। সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ  প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিল্পী দিৱসৰ পবিত্ৰ ক্ষণত অসমীয়া সংস্কৃতিক নৱ চেতনাৰে জাতিষ্কাৰ কৰা সুন্দৰৰ পূজাৰী,  মহান শিল্পী অসমীয়া কথাছবি পথদ্ৰষ্টা, স্বাধীনতা সংগ্ৰামী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ ৰূপকোঁৱৰৰ চিন্তা-চেতনাই আমাৰ সমাজ জীৱন আলোকিত কৰিব বুলি আশা প্ৰকাশ কৰে।

উত্তৰ গুৱাহাটীৰ শতদল শাখাৰ উদ্যোগত আজি পুৱাৰেপৰা দুদিনীয়াকৈ শিল্পী দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। পুৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি তৰ্পন কৰি বিশিষ্ট সাহিত্যিক মোহন শইকীয়াই সাহিত্য সভাৰ তৰফৰ পৰা 'ৰম্যৰত্না' নামৰ এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। অনুষ্ঠানৰ দ্বিতীয় দিনা উত্তৰ গুৱাহাটীৰ ১০ গৰাকী শিল্পী-সাহিত্যিকক সম্বৰ্ধনা জনোৱা হ'ব।

আনহাতে, বাক্সা জিলাৰ বাগানপাৰাত কালিৰেপৰা দুদিনীয়াকৈ সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় শিল্পী দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত হৈছে। বাক্সা জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বাগানপাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত এই কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক ৰমেশ কলিতাই দুদিনীয়াকৈ অনুষ্ঠিত হোৱা শিল্পী দিৱসৰ কালি মূল দুৱাৰ মুকলি কৰে। আজি হ'বলগীয়া মুকলি সভাত সদৌ অসম ছাত্ৰ সভাৰ কেন্দ্ৰীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

গোৱালপাৰা জিলা সাহিত্য সভাৰ উদ্যোগত আৰু আগিয়া শতদল শাখা সাহিত্য সভাৰ সহযোগত জিলাখনৰ উৰপদ বিলৰ বাকৰিত শিল্পী দিৱস উপলক্ষে দিনজোৰা কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে পতাকা উত্তোলন, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পন, সাহিত্যানুষ্ঠান, আৰু মুকলি সভা অনুষ্ঠিত হয়।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান ডিব্ৰুগড় জিলাৰ তামোলবাৰীত আজি বন্তি জ্বলাই শিল্পীগৰাকীৰ ৭৫ সংখ্যক মৃত্যু তিথি পালন কৰা হয়।

শিৱসাগৰ জিলাৰ প্ৰশাসনৰ উদ্যোগত আজি স্থানীয় জিলা পুথিভৰাল প্ৰাংগণত শিল্পী দিৱস ২০২৬ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তিনিটা শাখাত জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে মুকলি সভাৰো আয়োজন কৰা হৈছে।

00000

ভ

ooooo

সমাপ্ত